**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-SEP-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। মাদকদ্ৰব্যৰ পয়োভৰ ৰোধ কৰাৰ বাবে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

৩। নগৰীয়া আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে অসম চৰকাৰৰ ব্ৰিটেইনৰ সৈতে অংশীদাৰিত্বৰে কাম কৰাৰ পৰিকল্পনা।

৪। ৰাজ্যত মিছন চেনেহজৰীৰ অধীনত বছৰি ২ টন মুগা উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্য।

*আৰু*

৫। নতুন দিল্লীত অনুষ্ঠিত চলিত টী-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়। শৃংখলাত ২-০ ফলাফলত অপ্ৰতিৰোধ্য অগ্ৰগতি।

oooooo

ৰাজ্য চৰকাৰে নিষিদ্ধ মাদকদ্ৰব্যৰ অবাধ পয়োভৰ ৰোধ কৰাৰ লগতে আসক্তসকলক মূল সুঁতিলৈ ঘূৰাই অনাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। যোৰহাটত দুদিনীয়াকৈ অনুষ্ঠিত জিলা আয়ুক্ত সন্মিলনত মাদকদ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে আলোচনা হোৱা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত কয়, যে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ব্যক্তিগত পুনৰ সংস্থাপন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰা হ'ব। তেওঁ কয়, যে মাদকদ্ৰব্যৰ সমস্যা অকল আইন-শৃংখলাজনিত সমস্যা নহয়, ইয়াৰ সৈতে আসক্তসকলৰ চিকিৎসা, পুনৰ্বাসন অপৰাধ আৰু আন্তঃৰাজ্যিক তথা আন্তঃৰাষ্ট্ৰীয় সৰবৰাহৰ বিষয়টো জড়িত হৈ আছে। এই সমস্যাৰ সন্মুখীন হোৱা বাবে চৰকাৰে সমন্বিত ব্যৱস্থা গ্ৰহণৰ দিশত আগবাঢ়িছে বুলি তেওঁ মন্তব্য কৰে। ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিষয়টো চৰকাৰী পৰ্যায়ত আলোচনা কৰা হৈছে। তেওঁ লগতে ব্যক্তিগত পুনৰ্বাসন কেন্দ্ৰসমূহ কঠোৰভাৱে নিৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

**বাইট (চি এম)**

oooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মা, কংগ্ৰেছ প্ৰাৰ্থী, প্ৰাক্তন বিধায়ক শিৱামণি বৰা আৰু এ আই ই ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলকে ধৰি কেইবাগৰাকীও প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰাৰ কথা। মনোনয়ন পত্ৰ দাখিলৰ বাবে তিনিওটা দলে ব্যাপক প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মাই ভালেসংখ্যক দলীয় নেতা-কৰ্মীক লগত লৈ নগাঁও জিলাৰ ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰিব। ইয়াৰ আগেয়ে নগাঁও চহৰৰ দচন স্কুল খেল পথাৰত বিজেপিৰ ভালেসংখ্যক সমৰ্থক আৰু কাৰ্যকৰ্তা সমবেত

হ’ব। মনোনয়ন পত্ৰ দাখিল পৰ্বত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱাকে ধৰি শীৰ্ষ নেতৃবৰ্গই অংশগ্ৰহণ কৰিব।

কংগ্ৰেছ প্ৰাৰ্থী শিৱামণি বৰাই নগাঁও জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদলেৰে জিলা ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়লৈ গৈ মনোনয়ন দাখিল কৰিব। মনোনয়ন দাখিল পৰ্বত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, বিধানসভাত বিৰোধী পক্ষৰ নেতা ৰাজেদ আলী চৌধুৰী, সাংসদ ৰকিবুল হুছেইনসহ দলটোৰ কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকিব। ইপিনে, এ আই ইউ ডি এফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমলে আজি দুপৰীয়াৰ ভাগত মনোনয়ন পত্ৰ দাখিল কৰাৰ কথা। তেওঁ ধিং গে’টত থকা নগাঁও জিলা কাৰ্যালয়ৰ পৰা দলীয় সমৰ্থক আৰু কৰ্মকৰ্তাসকলক লৈ মনোনয়ন দাখিল কৰিব। দলটোৰ সাধাৰণ সম্পাদক হাফিজ ৰচি আহমেদ, দলৰ আটাইকেইগৰাকী বিধায়ক-প্ৰাক্তন বিধায়কে আজমলক সংগ দিব। তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী আব্দুল ছালামেও আজি মনোনয়ন দাখিল কৰিব। কেইগৰাকীমান নিৰ্দলীয় প্ৰাৰ্থীয়েও মনোনয়ন দাখিল কৰাৰ সম্ভাৱনা আছে। নগাঁও জিলা প্ৰশাসনে মনোনয়ন দাখিলৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা সম্পূৰ্ণ কৰিছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ’ব। ৯ অক্টোবৰত ভোটগণনা কৰা হ’ব।

০০০০০০

নগৰীয়া আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে অসম চৰকাৰে ব্ৰিটেইনৰ সৈতে অংশীদাৰিত্বৰে কাম কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ বাবে ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই ব্ৰিটিছ উপ-উচ্চায়ুক্ত ড০ এণ্ড্ৰু ফ্লেমিং আৰু ব্ৰিটেইনৰ ৯টা আগশাৰী প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰতিনিধিৰ সৈতে অসম-ব্ৰিটেইন নগৰ আন্তঃগাঁথনি সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। বৈঠকত নগৰীয়া আন্তঃগাঁথনি, পৰিবহণ আৰু যাতায়াত, পানী আৰু আৱৰ্জনা ব্যৱস্থাপনা, জলবায়ু আৰু বানৰ জোৰা মৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা, স্বাস্থ্য আন্তঃগাঁথনি, কাৰিকৰী মান আৰু প্ৰতিষ্ঠানৰ সামৰ্থ বৰ্ধন কৰাৰ বিষয়ে আলোচনা কৰা হয়। এই বৈঠকত লগতে অসমৰ উন্নীত আন্তঃগাঁথনি, যাতায়াত আৰু যোগাযোগ প্ৰকল্প, দলং, সুৰংগ, নগৰ নৱীকৰণ ইত্যাদি সন্দৰ্ভত ব্ৰিটেইনৰ উপ-উচ্চায়ুক্তগৰাকীক অৱগত কৰোৱা হয়। তদুপৰি গোলকীয় পৰ্যায়ত মান সম্পন্ন আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আছে বুলি ব্ৰিটেইনৰ দলটোক অৱগত কৰোৱা হয়। দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে ব্ৰিটেইনৰ সৈতে কাম কৰাৰ ক্ষেত্ৰত অসমৰ সম্ভাৱনাৰ কথাও দলটোক জনোৱা হয়।

০০০০০০

ৰাজ্যত মুগাৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে ৰেচম হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে কালি উজনি অসমৰ কেইবাখনো মুগা পাম পৰিদৰ্শন কৰে। ৰাজ্য চৰকাৰৰ হস্ততাঁত, বস্ত্ৰ, ৰেচম আৰু দক্ষতা বিকাশ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে ধেমাজি জিলাৰ গোগামুখত থকা ৰেচম পাম পৰিদৰ্শন কৰি পামখনৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে আন্তঃগাঁথনি উন্নয়নৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ৰেচম উৎপাদক আৰু কৃষকসকলৰ সৈতেও ৰেচম উৎপাদন বৃদ্ধি, নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু পামখনৰ আধুনিকীকৰণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে মিছিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়া, অধ্যক্ষ সুনিল কুমাৰ পেগুৰ উপস্থিতিত পৰিষদৰ কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য তথা বিষয়ববীয়াসকলৰ সৈতেও এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত মিছিং স্বায়ত্ত শাসিত পৰিষদীয় এলেকাৰ বিভাগীয় কাম-কাজৰ অগ্ৰগতি, নতুন চিন্তা পৰিকল্পনা, সন্দৰ্ভত বিশদভাৱে

পৰ্যালোচনা কৰা হয়। পাছত মন্ত্ৰী শ্ৰীদৈমাৰীয়ে গোগামুখৰ পশ্চিম বালিগাঁৱত থকা চুমনিপামত উপস্থিত হয়। তাত তেওঁ ধেমাজি জিলা ৰেচম বিভাগৰ দ্বাৰা আয়োজিত সভাত মুগা পালকসকলৰ সমস্যাৰাজি সন্দৰ্ভতো তেওঁ মত বিনিময় কৰে।

মন্ত্ৰীগৰাকীয়ে কালি ঢকুৱাখনাত বিভাগীয় কৰ্মচাৰী আৰু মুগা খেতিয়কসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে ড'নাৰ মন্ত্ৰালয়ৰ অধীনত কেন্দ্ৰীয় ৰেচম পৰিষদ আৰু অসম চৰকাৰৰ ৰেচম বিভাগে মুগাৰ উৎপাদন বৃদ্ধিৰ লক্ষ্যৰে মিছন চেনেহজৰী নামৰ এখন বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। তেওঁ কয়, যে ৪১১ কোটি টকাৰে ৰূপায়ণ কৰিবলগীয়া এই আঁচনিৰ অধীনত বছৰি ২ টন মুগা উৎপাদন বৃদ্ধি কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে। তেওঁ লগতে মুগাৰ সঁচ উৎপাদন বৃদ্ধিত সৃষ্টি হোৱা বাধাৰ কাৰণ চিনাক্ত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে পাছত ঢকুৱাখনাত মিছন চেনেহজৰীৰ অধীনত স্থাপন হ'বলগীয়া মুগা ৰেচম পৰ্যটন উদ্যানৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰে।

শ্ৰী দৈমাৰীয়ে নিশাৰ ভাগত বিশ্বনাথ জিলাৰ বৰগাঁওত নিৰ্মীয়মান এৰী সূতা কটা মিল পৰিদৰ্শন কৰে আৰু মিলটোৰ কাম-কাজৰ বুজ লয়। কাম-কাজৰ খতিয়ান লৈ মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে –

বাইট (দৈমাৰী)

অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ৰেচম শিল্পৰ জৰিয়তে স্থানীয় যুৱক-যুৱতী নিয়োগ আৰু স্বাৱলম্বনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অসমৰ এৰী শিল্পক বিশ্ব দৰবাৰত সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই তেওঁৰ সৃষ্টিৰাজি উদযাপনৰ বাবে ১৯ ছেপ্তেম্বৰত ৰাজ্যজুৰি জুবিন দিৱস পালন কৰা হ'ব। কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, জুবিন গাৰ্গ ন্যাসকে ধৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত সোণাপুৰৰ জুবিন ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ জুবিন দিৱস উদযাপন কৰা হ'ব। কাইলৈ সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, পৰহিলৈ সাংস্কৃতিক অনুষ্ঠান, ১৯ ছেপ্তেম্বৰত গুৰু আসন প্ৰতিষ্ঠা, ভাগৱত পাঠৰ লগতে নিশালৈ ভাওনাৰ ব্যৱস্থা কৰা হ'ব।

ইপিনে লখিমপুৰ জিলাৰ হাৰমতিত কালি শিল্পী জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ডিব্ৰুগড়ৰ শিল্পী যদুমণি গগৈয়ে নিৰ্মাণ কৰা এই প্ৰতিমূৰ্তিটো জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ উপস্থিতিত উন্মোচন কৰা হয়। হাৰমতী আঞ্চলিক যুৱ সংঘ আৰু হাৰমতিবাসী ৰাইজৰ যৌথ উদ্যোগত এই প্ৰতিমূৰ্তিটো স্থাপন কৰা হৈছে। এই সন্দৰ্ভত গৰিমা শইকীয়া গাৰ্গে এইদৰে মনৰ ভাৱ ব্যক্ত কৰে।

**বাইট (গৰিমা গাৰ্গ)**

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **জুবিন মনন** শীৰ্ষক জুবিন গাৰ্গ বিষয়ক এটি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিগন্ত ভাৰতী, জুবিন গাৰ্গৰ ভগ্নী পামি বৰঠাকুৰ আৰু আকাশবাণীৰ ঘোষক তথা জনপ্ৰিয় কণ্ঠশিল্পী মনদীপ মহন্তই অংশ ল'ব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

নগাঁও জিলাৰ জখলাবন্ধাৰ কলিয়াবৰ মহকুমাৰ অসামৰিক চিকিৎসালয়ত নিৰ্মীয়মান ১৫০ খন বিছনাযুক্ত নতুন শাখাৰ সম্প্ৰসাৰণমূলক কাম-কাজ অহা বছৰ সম্পূৰ্ণ হ'ব। স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে কালি নিৰ্মীয়মান শাখাটোৰ কাম-কাজ পৰিদৰ্শন কৰি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অহা ১৫ৰ পৰা ১৮ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰি ৰাইজৰ বাবে উৎসৰ্গা কৰা হ'ব। নতুনকৈ নিৰ্মাণ হ'বলগীয়া শাখাটোত শিশুৰ বাবে আই চি ইউকে ধৰি ভালেমান সুবিধা থাকিব বুলি তেওঁ আশা প্ৰকাশ কৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কালি চিকিৎসালয়খনৰ চিকিৎসক আৰু প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰি সাম্প্ৰতিক চিকিৎসা সেৱাৰ স্থিতি পৰ্যালোচনা কৰে। তেওঁ ৰোগীসকলক অধিক উন্নত আৰু ফলপ্ৰসূ স্বাস্থ্যসেৱা প্ৰদানৰ দিশত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰে। তেওঁ লগতে চিকিৎসালয়খনৰ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলক তেওঁলোকে নিষ্ঠা সহকাৰে সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ পূৰ্বে অনুশাসন ভংগৰ অভিযোগত কংগ্ৰেছ দলে দলটোৰ ১৫ জন নেতা-কৰ্মীক ৩ বছৰৰ বাবে নিলম্বন কৰিছে। ইয়াৰ ভিতৰত আবেদন কৰি টিকট লাভ নকৰা দুজন নিৰ্দলীয় প্ৰাৰ্থীও আছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে দলৰ অনুশাসন ভংগ কৰাৰ বাবে এই নেতা-কৰ্মীসকলক নিলম্বন কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰামান্না বৰুৱাই এই নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি নিশা ভাৰতে আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰি তিনিখন খেলৰ শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ১৬০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১৪ অভাৰ ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। সঞ্জু চেমছনে ২২টা বলত সৰ্বাধিক ৫৭ ৰান কৰে আৰু অভিষেক শৰ্মাই ১৯টা বলত ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে বেট ধৰি আফগানিস্তানে নিৰ্দিষ্ট ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰিছিল। দলটোৰ অধিনায়ক ইব্ৰাহিম জাদ্ৰানে সৰ্বাধিক স্ক'ৰাৰ হিচাপে ৩৩টা বলত ৩৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শ্বদীপ সিঙে দুটা উইকেট দখল কৰে। ৰেড্ডীক খেলখনৰ প্লেয়াৰ অৱ দা মেচ হিচাপে নিৰ্বাচিত কৰা হয়। কাইলৈ দিল্লীৰ একেখন ষ্টেডিয়ামতে শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

ইউ পি আইৰ মাধ্যমেৰে ব্যক্তিৰ মাজত লেনদেনৰ ক্ষেত্ৰত ধনৰাশি অধিক হ'লেও কোনোধৰণৰ মাচুল লোৱা নহয় বুলি কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰি দিয়া বাতৰিটো দৈনিক অগ্ৰদূত, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে শূন্য ব্যৱসায়িক ৰেহাইৰ হাৰ ব্যৱস্থাৰ অধীনত সামৰি লোৱা লেনদেনৰ উপৰি দুহেজাৰ টকা পৰ্যন্ত ধনৰ আদান-প্ৰদান বিনামূলীয়া হ'ব। এই সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে

**ইউ পি আই-ৰ মাধ্যমত দুহেজাৰ টকাৰ অধিক লেনদেনত ভৰিব লাগিব মাচুল** শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

ৰাজ্যৰ সমগ্ৰ ব্ৰডগজ ৰে'ল নেটৱৰ্কৰ ১০০ শতাংশই বৈদ্যুতিকীকৰণ সম্পূৰ্ণ হোৱাৰ এটা বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইণ্টাৰনেচনেল ৰাইনো ফাউণ্ডেচনৰ ষ্টেট অৱ দা ৰাইনো প্ৰতিবেদনত প্ৰকাশিত তথ্য অনুসৰি ২০২৫ বৰ্ষত অসমত চোৰাং চিকাৰত এটাও গঁড়ৰ মৃত্যু হোৱা নাই বুলি এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে তথ্য সহকাৰে প্ৰকাশ কৰিছে।

বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ, যোৰহাট, চৰাইদেউ আৰু গোলাঘাট জিলাৰ লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে অহা ১০ অক্টোবৰৰ পূৰ্বে জৰীপ সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে এ আই ইউ ডি এফে দলটোৰ সভাপতি বদৰুদ্দিন আজমলৰ নাম ঘোষণা কৰাৰ বাতৰি দৈনিক অসম আৰু দা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

নিষিদ্ধ মাদক দ্ৰব্যৰ অবাধ পয়োভৰ ৰোধ কৰাৰ বাবে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিটো পুনৰ সংস্থাপন কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

ওদালগুৰি জিলাৰ মাজবাটস্থিত বিদেশী ন্যায়াধীকৰণ আদালতৰ ন্যায়াধীশ ভূপেন চন্দ্ৰ পেগুক সোমবাৰে নিশা মাজবাট পশু চিকিৎসা বিভাগৰ অতিথিশালাৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। এই লোকজনৰ বিৰুদ্ধে বিজ্ঞাপন অবিহনে স্থানীয় লোকক চতুৰ্থ বৰ্গৰ চাকৰিত নিয়োগ, বিটিচিত নিৰ্বাচনী আচৰণ বিধি বলৱৎ থকাৰ সময়তে নিযুক্তি প্ৰদান, পশু চিকিৎসা বিভাগৰ অতিথিশালাক বাসগৃহ তথা আদালত হিচাপে ব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে পেগুক গ্ৰেপ্তাৰ কৰি ৫০/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**